**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-06-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

**HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এন ডি এ চৰকাৰ গঠনৰ ব্যাপক তৎপৰতা। ৮ জুনত সাংসদসকলৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক।

২। নতুন দিল্লীত বিজেপি নেতৃত্বাধীন এন ডি এৰ বৈঠক সম্পন্ন। বৈঠকত মন্ত্ৰী অতুল বৰা আৰু বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৰ অংশগ্ৰহণ।

৩। লোকসভা নিৰ্বাচনৰ ফলাফলৰ পাছতে নতুন দিল্লীত আই এন ডি আই মিত্ৰজোঁটৰ চৰকাৰ গঠনৰ কৌশল সন্দৰ্ভত আলোচনা।

৪। দেশৰ আন আন প্ৰান্তৰ লগতে অসমতো বিশ্ব পৰিৱেশ দিৱস বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন।

**আৰু**

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতৰ আজি আয়াৰলেণ্ডৰ বিৰুদ্ধে অভিযান আৰম্ভ।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে। শ্ৰীমোদীয়ে কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ সদস্যসকলৰ লগতে নিজৰ পদত্যাগ পত্ৰ দাখিল কৰে। শ্ৰীমতী মুৰ্মুৱে কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ সদস্যসকলক নতুন চৰকাৰ গঠন নোহোৱা পৰ্যন্ত কাৰ্যভাৰ চলাই নিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে আজি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়কো সাক্ষাৎ কৰে। অহা ৮ জুনত প্ৰধানমন্ত্ৰী মোদীয়ে সাংসদসকলৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০০০

লোকসভা নিৰ্বাচনৰ ফলাফলৰ পাছতেই এন ডি এ আৰু আই এন ডি আই মিত্ৰজোঁট চৰকাৰ গঠনক লৈ কৌশল যুগুত কৰাৰ বাবে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হৈছে। এই সন্দৰ্ভত আলোচনাৰ বাবে এন ডি এৰ মিত্ৰদলসমূহৰ এখন বৈঠক নতুন দিল্লীৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাসগৃহত কিছু সময়ৰ পূৰ্বে সম্পন্ন হয়। এই বৈঠকত প্ৰধানমন্ত্ৰী মোদীক এন ডি এৰ নেতা হিচাপে সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত কৰা হয়। এই বৈঠকত বিজেপিৰ লগতে মিত্ৰ দলসমূহৰ শীৰ্ষ নেতাসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত তৃতীয় বাৰৰ বাবে চৰকাৰ গঠনৰ পৰিকল্পনা কৰে। মিত্ৰদলসমূহে এইক্ষেত্ৰত সহমতত উপনীত হোৱা বুলি প্ৰকাশ পাইছে। এই বৈঠকত দুখীয়া, মহিলা, যুৱ, কৃষক আৰু অৱহেলিত শ্ৰেণীৰ বাবে কাম কৰি যাবলৈ এন ডি এৰ নেতাসকলে সংকল্প গ্ৰহণ কৰে। বৈঠকত তেলেগু দেশম পাৰ্টিৰ মুৰব্বী এন চন্দ্ৰবাবু নাইডু, জনতা দল ইউনাইটেডৰ মুৰব্বী আৰু বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে লোকজনশক্তি দল ৰাম বিলাস গোটৰ মুৰব্বী চিৰাগ পাছোৱান আৰু অন্যান্য মিত্ৰদলৰ নেতাসকলৰ লগতে বিজেপিৰ শীৰ্ষ নেতাসকলে অংশ লৈছে। এই বৈঠকত অসমৰ পৰা মন্ত্ৰী অতুল বৰা আৰু বি টি আৰৰ মুৰব্বী প্ৰমোদ বড়োৱে অংশ লয়। বৈঠকত অংশগ্ৰহণৰ পাছত মন্ত্ৰী বৰা আৰু শ্ৰী বড়োৱে কয় যে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত দলে এই ফলাফলত উপনীত হৈছে। শ্ৰী বড়োৱে কয় যে ইউ পি পি এলৰ প্ৰথমগৰাকী সাংসদ এইবাৰ নিৰ্বাচিত হৈছে আৰু জনসাধাৰণৰ সমস্যা সমাধানৰ বাবে তেওঁলোকে কাম কৰি যাব। তেওঁলোকে লগতে অসমৰ ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। বৈঠক সন্দৰ্ভত নতুন দিল্লীৰ পৰা সাংবাদিক সিদ্ধাৰ্থ ভট্টাচাৰ্যই এইদৰে কয়।

(ভইচ)

ইপিনে, আজি কিছু সময়ৰ পূৰ্বে আই এন ডি আই মিত্ৰজোঁটৰ নেতাসকল নতুন দিল্লীত কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বাসগৃহত উপস্থিত হৈছে। তেওঁলোকেও নতুন চৰকাৰ গঠনৰ কৌশলসমূহ সন্দৰ্ভত আলোচনাত মিলিত হৈছে।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰী বাসভৱনত আজি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ অন্তিমখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয় যে, বিগত ১০ বছৰত চৰকাৰে জনসাধাৰণৰ বাবে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছে। এই ধাৰা পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি তেওঁ মন্তব্য কৰে। জয়-পৰাজয় ৰাজনীতিৰ এটা অংশ বুলিও তেওঁ উল্লেখ কৰে। বিগত ১০ বছৰত কেন্দ্ৰীয় মন্ত্ৰীসকলে শ্ৰেষ্ঠখিনি উজাৰি কাম কৰাৰ বাবে তেওঁ ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, নীতিন গাডকাৰী, ৰাজনাথ সিং, সৰ্বানন্দ সোণোৱালকে ধৰি আন কেবিনেট মন্ত্ৰীও উপস্থিত থাকে।

oooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি বিদায়ী মন্ত্ৰীসভাৰ সদস্যসকলৰ সন্মানাৰ্থে ৰাষ্ট্ৰপতি ভৱনত নৈশভোজৰ আয়োজন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেওঁৰ মন্ত্ৰীসভাৰ সদস্যসকলৰ সৈতে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক পদত্যাগ পত্ৰ দাখিল কৰিছিল। সেই অনুসৰি সপ্তদশ লোকসভাৰ মন্ত্ৰীসভা আজি ভংগ কৰা হয়।

ooooooo

লোকসভা নিৰ্বাচনৰ ফলাফল অনুসৰি অসমৰ ১৪ খন আসনৰ ভিতৰত ধুবুৰীৰ আসনখনত বিজেপিৰ ৰঞ্জিত দত্তই মুঠ গৃহীত ভোটৰ সৰ্বাধিক ৬০ দশমিক ২ শতাংশ লাভ কৰে। কংগ্ৰেছ দলৰ ৰকিবুল হুছেইনে মুঠ গৃহীত ভোটৰ ৫৯ দশমিক ৯-৯ শতাংশ লাভ কৰে। শিলচৰ সমষ্টিত বিজেপিৰ পৰিমল শুক্লবৈদ্যই ৫৯ দশমিক ৮-৯ শতাংশ ভোট লাভ কৰিছে।

ইপিনে, বৰপেটা লোকসভা সমষ্টিত অসম গণ পৰিষদ দলৰ ফণীভূষণ চৌধুৰীয়ে মুঠ গৃহীত ভোটৰ ৫১ দশমিক ০-২ শতাংশ লাভ কৰিছে। প্ৰাৰ্থীগৰাকীয়ে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছ দলৰ দ্বীপ বায়নৰ বিৰুদ্ধে ২ লাখ ১৮ হাজাৰৰো অধিক সংখ্যক ভোটত জয়লাভ কৰিছে।

নগাঁও সমষ্টিত কংগ্ৰেছৰ প্ৰদ্যুৎ বৰদলৈয়ে ৫০ দশমিক ৮-৯ শতাংশ, কাজিৰঙা সমষ্টিত বিজেপিৰ কামাখ্যা প্ৰসাদ তাছাই ৫৫ দশমিক০-৪ শতাংশ, যোৰহাট সমষ্টিত গৌৰৱ গগৈয়ে মুঠ গৃহীত ভোটত ৫৪ দশমিক ০-৪ শতাংশ, লখিমপুৰ সমষ্টিত প্ৰদান বৰুৱাই ৫৪ দশমিক ৭-৫ শতাংশ, দৰং-ওদালগুৰিত দিলীপ শইকীয়া ৪৭ দশমিক ৯-৫, কৰিমগঞ্জত কৃপানাথ মল্লাই ৪৭ দশমিক ৫-৩,

কোকৰাঝাৰ সমষ্টিত ইউ পি পি এলৰ জয়ন্ত বসুমতাৰীয়ে ৩৯ দশমিক ৩-৯, ডিব্ৰুগড়ত সৰ্বানন্দ সোণোৱালে ৫৪ দশমিক ২-৭, ডিফুত বিজেপিৰ অমৰসিং টিছুৱে ৪৯ দশমিক ০-১ শতাংশ ভোট লাভ কৰি জয়লাভ কৰিছে। ইপিনে, সামগ্ৰিকভাৱে মুঠ গৃহীত ভোটৰ ভিতৰত বিজেপিয়ে ৩৭ দশমিক ৪-৩ আৰু কংগ্ৰেছে ৩৭ দশমিক ৪-৮ শতাংশ ভোট লাভ কৰিছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। একেদৰে দেশত বিজেপিয়ে সামগ্ৰিকভাৱে ৩৬ দশমিক ৫-৬ শতাংশ, কংগ্ৰেছে ২১ দশমিক ১-৯, সমাজবাদী পাৰ্টীয়ে ৪ দশমিক ৫-৮, তৃণমূল কংগ্ৰেছে ৪ দশমিক ৫-৭, তেলেগু দেশম পাৰ্টীয়ে ১ দশমিক ৯-৮ আৰু জনতা দল ইউনাইটেডে ১ দশমিক ২-৫ শতাংশ ভোট লাভ কৰিছে।

ooooooo

অসমৰ ৫ গৰাকী বিধায়ক লোকসভালৈ নিৰ্বাচিত হোৱাৰ ফলত ৫টা সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত হোৱাটো নিশ্চিত হৈছে। বঙাইগাঁৱৰ বিধায়ক ফণীভূষণ চৌধুৰী, বিহালীৰ বিধায়ক ৰঞ্জিত দত্ত, চামগুৰিৰ বিধায়ক ৰকিবুল হুছেইন, ধলাই সমষ্টিৰ বিধায়ক পৰিমল শুক্লবৈদ্য আৰু চিদলী সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰী লোকসভালৈ নিৰ্বাচিত হোৱাৰ ফলত এই সমষ্টিকেইটাত উপ-নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পথ প্ৰশস্ত হৈছে।

০০০০০০০

ভাৰতীয় জনতা পাৰ্টীয়ে লোকসভা নিৰ্বাচনত অসমৰ ৯ খন আসন দখল কৰাৰ বাবে বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই অসমবাসীক ধন্যবাদ জ্ঞাপন কৰে। বাজপেয়ী ভৱনত আজি অনুষ্ঠিত এখন সংবাদমেলত বিজেপিৰ ৰাজ্যিক সভাপতি শ্ৰীকলিতাই লগতে মিত্ৰজোঁটৰ আন ৰাজনৈতিক দলকো ধন্যবাদ জ্ঞাপন কৰে। তেওঁ লগতে কয় যে, ২০২৬ চনত বিধানসভা নিৰ্বাচনত বিজেপিয়ে ১০০ প্লাছৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব। সদ্য সমাপ্ত লোকসভা নিৰ্বাচনত বিজেপি নেতৃত্বাধীন এন ডি এই ৰাজ্যৰ ৯৪টা বিধানসভা সমষ্টিত ভোট লাভৰ দিশত শীৰ্ষস্থানত আছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয় যে, ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচন সন্দৰ্ভত কেন্দ্ৰত চৰকাৰ গঠনৰ পাছতে আলোচনা কৰা হ'ব।

ইপিনে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই নিৰ্বাচনী ফলাফলৰ পাছতে ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। আশা কৰা অনুযায়ী আসন লাভ নকৰিলেও এই নিৰ্বাচনত কংগ্ৰেছৰ নৈতিক জয় হোৱা বুলি শ্ৰীবৰাই প্ৰকাশ কৰে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপিক প্ৰতিহত কৰিবৰ বাবে আঞ্চলিক দলসমূহক বিৰোধী ঐক্য মঞ্চত যোগ দিবলৈ তেওঁ লগতে আহ্বান জনায়।

যোৰহাট লোকসভা সমষ্টিৰ নৱ নিৰ্বাচিত সাংসদ গৌৰৱ গগৈয়ে আজি মাজুলীবাসী আৰু দলীয় নেতা-কৰ্মীক ধন্যবাদ জনায়। মাজুলীৰ ৰাজীৱ ভৱনত জিলা কংগ্ৰেছ আৰু যুৱ কংগ্ৰেছৰ বিষয়ববীয়াৰ পৰা সম্বৰ্ধনা গ্ৰহণ কৰি মাজুলীৰ পৰাই ২০২৬ত দিছপুৰ দখলৰ প্ৰণ গ্ৰহণ কৰা বুলি শ্ৰীগগৈয়ে প্ৰকাশ কৰে। তেওঁ লগতে মাজুলীৰ বিজেপি বিধায়ক ভূবন গামক সমালোচনা কৰে।

০০০০০০০০

ৰাষ্ট্ৰীয় যোগ্যতা তথা প্ৰৱেশ পৰীক্ষা অৰ্থাৎ NEET ৰ ফলাফল আজি ঘোষণা কৰা হৈছে। ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থাই আজি এই ফলাফল ঘোষণা কৰে। এই অনুসৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৩৭ হাজাৰ ৬৬৭ গৰাকী পৰীক্ষাৰ্থীয়ে যোগ্যতা অৰ্জন কৰিছে। উল্লেখযোগ্য যে এই পৰীক্ষাৰ্থীসকলৰ ভিতৰত ৩ হাজাৰ ৭৬৯ গৰাকীয়ে অসমীয়া ভাষাত পৰীক্ষা লিখিছিল। আনহাতে, এইবছৰ ৰাজস্থানৰ ১১ গৰাকী পৰীক্ষাৰ্থীয়ে সৰ্বাধিক নম্বৰ লাভ কৰি শীৰ্ষ স্থানত আছে।

০০০০০০০

দেশৰ আন আন প্ৰান্তৰ লগতে অসমতো আজি বিশ্ব পৰিৱেশ দিৱস বিস্তৃত কাৰ্যসূচীৰে উদযাপন কৰা হয়। বিগত বৰ্ষৰ দৰে এইবাৰো বিশ্ব পৰিৱেশ দিৱস উপলক্ষে চৰকাৰী আৰু বেচৰকাৰী সংস্থাসমূহে গছপুলি ৰোপণৰ লগতে আন বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰে। ইলোৰা বিজ্ঞান মঞ্চই জিলা আৰু ৰাজ্যিক ভিত্তিত স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান প্ৰদৰ্শনীৰ লগতে বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মঙলদৈ টাউন হাইস্কুলত এটা পৰিৱেশ সজাগতা অনুষ্ঠানৰ আয়োজন কৰে। এই উপলক্ষে বক্তৃতানুষ্ঠানৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰচনা লিখা, পোষ্টাৰ অংকন আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়।

ইপিনে গোৱালপাৰা, তামুলপুৰ, বৰপেটা, যোৰহাট, তিনিচুকীয়া, শিৱসাগৰ কোকৰাঝাৰ, মৰিগাঁও, কামৰূপ মহানগৰ, দৰং, বাক্সা আদি বিভিন্ন জিলাত বিশ্ব পৰিবেশ দিৱস উদযাপন কৰা হয়। বন বিভাগৰ গোৱালপাৰা সংমণ্ডলৰ

উদ্যোগত পৰিৱেশ দিৱস উপলক্ষে উৰপদ বিলত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই গছপুলি ৰোপণ কাৰ্যসূচী অহা ১৫ জুনলৈ চলিব। তামুলপুৰ জিলাৰ বিভিন্ন প্ৰান্তত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে গছপুলি ৰোপণ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। বৰপেটাত বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি চৰকাৰী-বেচৰকাৰী সকলো শিক্ষানুষ্ঠানত গছপুলি ৰোপণ আৰু বক্তৃতা প্ৰদান আদি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। যোৰহাট আৰক্ষীয়ে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে জিলাখনৰ বিভিন্ন আৰক্ষী থানা আৰু চকীত গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰে। জিলা আৰক্ষী অধীক্ষক শ্বোৰেটাং মিশ্ৰই যোৰহাট সদৰ থানাৰ চৌহদত গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। জিলাখনৰ মৰিয়নি, তিতাবৰ, টীয়ক আৰক্ষী চকীত গছপুলি ৰোপণ কৰা হয়। তিনিচুকীয়াৰ অসামৰিক প্ৰতিৰক্ষা বিভাগে সূৰ্যোদয় মুক্ত শিশুগৃহৰ সহযোগত দিৱসৰ লগত সংগতি ৰাখি শিশুগৃহৰ চৌহদত গছপুলি ৰোপণ কৰে। কোকৰাঝাৰত জৈৱ বৈচিত্ৰ্য সম্পৰ্কীয় কৰ্মবাহিনীয়ে বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰে।

আনহাতে কোকৰাঝাৰৰ বিটিচি সচিবালয়তো বিশ্ব পৰিৱেশ দিৱস উপলক্ষে গছপুলি ৰোপণ কৰা হয়। বিটিচিৰ অধ্যক্ষ কাটিৰাম বড়োৱে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। দিৱস উপলক্ষে কোকৰাঝাৰৰ ব্ৰহ্ম বাবা টেকনো স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে বাটৰ নাট পৰিৱেশন কৰে। শিৱসাগৰ জিলাতো বিভিন্ন কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। শিৱসাগৰৰ বন সংমণ্ডল প্ৰাধিকৰণৰ উদ্যোগত দিৱস উপলক্ষে সজাগতামূলক চাইকেল ৰেলী উলিওৱা হয়। শিৱসাগৰ বন বিভাগে দিৱসৰ লগত সংগতি ৰাখি যোৱা ২৫ মে'ৰ পৰা জিলাখনৰ বিভিন্ন প্ৰান্তত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। বাক্সা জিলাৰ মানস ৰাষ্ট্ৰীয় উদ্যানত বিশ্ব পৰিৱেশ দিৱস বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। এই উপলক্ষে সজাগতা সমদল আৰু গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সজাগতা সমদলত কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

ইফালে গুৱাহাটী মহানগৰীতো বিভিন্ন দল-সংগঠনে বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰে। পৰিবহণ বিভাগৰ উদ্যোগত আজি এ বি চি পইণ্টত পৰিৱেশ দিৱস পালন কৰা হয়। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি পৰিবহণ বিষয়া গৌতম দাসে পৰিৱেশ সুৰক্ষিত কৰাৰ স্বাৰ্থত সকলোকে গছপুলি ৰোপণ কৰিবলৈ আহ্বান জনায়। ইপিনে গুৱাহাটী পৌৰ নিগমৰ উদ্যোগত পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি চাইকেল ৰেলী উলিওৱা হয়। ইয়াৰ লগতে পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াকে ধৰি আন বিষয়া-কৰ্মচাৰীসকলে গছপুলি ৰোপণ কৰে।  কামৰূপ জিলাৰ শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগ আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। এই উপলক্ষে মহাবিদ্যালয়ৰ চৌহদত গছপুলি ৰোপণ কৰাৰ লগতে এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ নিহাৰ ৰঞ্জন কলিতাই এই আলোচনাচক্ৰত সভাপতিত্ব কৰে। ইপিনে কাৰ্বি আংলং জিলাতো বিভিন্ন কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়।

উল্লেখযোগ্য যে এইবাৰৰ বিশ্ব পৰিৱেশ দিৱসৰ বিষয়বস্তু হৈছে 'ভূমিৰ পুনৰুদ্ধাৰ কৰা, মৰুময়তা ৰোধ কৰা আৰু খৰাং সহনশীলতা গঢ়ি তোলা'। প্ৰকৃতি সুৰক্ষাৰ ক্ষেত্ৰত এই দিৱসে বিশ্বজুৰি যথেষ্ট তাৎপৰ্য বহন কৰি আহিছে।

oooooooo

চলিত মাহটো ৰাজ্যখনত মেলেৰিয়া প্ৰতিৰোধী মাহ হিচাপে পালন কৰা হৈছে। এই উপলক্ষে শোণিতপুৰ জিলা স্বাস্থ্য বিভাগে জিলাখনত সজাগতাৰ কাৰ্যসূচী লোৱাৰ লগতে ৪৯ হাজাৰ ৪৮৪টা তেজৰ নমুনা সংগ্ৰহ কৰিছে। গোৱালপাৰা জিলাতো এখন সজাগতা সভাৰ জৰিয়তে আনুষ্ঠানিকভাৱে মেলেৰিয়া প্ৰতিৰোধী মাহৰ শুভাৰম্ভ কৰা হয়। জিলা যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডা০ জয়ন্ত কুমাৰে দাসে মেলেৰিয়া প্ৰতিৰোধী মাহৰ শুভাৰম্ভ কৰে। এই মাহটোত মেলেৰীয়াৰ প্ৰাৰ্দুভাৱ হোৱাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ আশা কৰ্মীৰ লগতে স্বাস্থ্যকৰ্মীসকলক যাৱতীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে।

oooooooo

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ অন্তৰ্বৰ্তীকালীন জামিন আবেদন আজি দিল্লীৰ ৰ'জ এভিনিউ আদালতে নাকচ কৰিছে। দিল্লীৰ মুখ্যমন্ত্ৰী শ্ৰীকেজৰিৱালক ৭ দিনৰ জামিন দিবলৈ অধিবক্তাই আজি আবেদন জনায়। কেজৰিৱালৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি এই আবেদন দাখিল কৰিলেও বিশেষ বিচাৰক কাৱেৰী বাৱেজাৰ আদালতে অন্তৰ্বৰ্তীকালীন জামিন আবেদন নাকচ কৰে। ইয়াৰ বিপৰীতে আদালতে কেজৰিৱালৰ চিকিৎসাৰ যাতে ত্ৰুটি নহয় তাৰ বাবে লক্ষ্য ৰাখিবলৈ তিহাৰ জে'ল কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

oooooooo

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ৱেষ্ট ইণ্ডিজত যৌথভাৱে অনুষ্ঠিত টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে আজি আয়াৰলেণ্ডৰ বিৰুদ্ধে খেলি নিজৰ অভিযান আৰম্ভ কৰিব। খেলখন নিউয়ৰ্কৰ নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাৰ পৰা অনুষ্ঠিত হ'ব।

oooooooo

প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিশু পুৰস্কাৰৰ বাবে বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা দেখুওৱা শিশুসকলক স্বীকৃতি প্ৰদান সন্দৰ্ভত মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ে জিলাসমূহৰ পৰা মনোনয়ন বিচাৰিছে। যোগ্যতাসম্পন্ন প্ৰাৰ্থীসকলে https://awards/gov.in অনলাইন প'ৰ্টেলত অহা ৩১ জুলাইৰ ভিতৰত আবেদন কৰিব পাৰিব। আবেদনকাৰীয়ে আবেদনৰ প্ৰতিলিপি জিলা আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিব লাগিব। উল্লেখযোগ্য যে সাহসিকতা, ক্ৰীড়া, সমাজসেৱা, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা, পৰিৱেশ, কলা আৰু সংস্কৃতিৰ লগতে উদ্ভাৱনমূলক দিশত অৰিহণা যোগোৱা নিৰ্বাচিত শিশুসকলক নতুন দিল্লীত ৰাষ্ট্ৰপতিয়ে এই পুৰস্কাৰ প্ৰদান কৰিব।

oooooooo

**সমাপ্ত**